**5 SEM FYUGP ASMC5A**

**2025**

( November )

ASSAMESE

( Core )

Paper : ASMC5A

**( অনুবাদ : তত্ত্ব আৰু প্ৰয়োগ )**

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) Translation শব্দটোৰ মূল কি?

(খ) 'অনুবাদ : তত্ত্ব আৰু প্ৰয়োগ' গ্ৰন্থখনৰ লেখক কোন?

(গ) বাইবেলখন জাৰ্মান ভাষালৈ কোনে অনুবাদ কৰিছিল?

(ঘ) কোনটো শতিকাক 'অনুবাদৰ যুগ' আখ্যা দিয়া হয়?

(ঙ) 'তৃতীয় সাহিত্য' বুলি কোনবোৰ সাহিত্যিক কোৱা হয়?

(চ) কৃষ্ণকান্ত সন্দিকৈৰ 'অনুবাদৰ কথা' শীৰ্ষক প্ৰবন্ধটো কোনখন আলোচনীত প্ৰকাশ পাইছিল?

(ছ) প্ৰথম অনুবাদক কম্পিউটাৰটো কোনে সাজি উলিয়াইছিল?

২। (ক) অনুবাদ মানে কি? অনুবাদৰ ভাষিক দিশসমূহ আলোচনা কৰাঁ। ২+১০=১২

*অথবা*

(খ) অনুবাদৰ প্ৰকাৰসমূহ কি কি, আলোচনা কৰাঁ। ১২

৩। (ক) অনুবাদৰ পদ্ধতি সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) অনুবাদৰ ক্ষেত্ৰত ভাষিক বিজ্ঞাপনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাঁ।

৪। (ক) অনুবাদৰ সাংস্কৃতিক দিশসমূহ বিশ্লেষণ কৰি এটি আলোচনা প্ৰস্তুত কৰাঁ। ১২

*অথবা*

(খ) অনুবাদৰ ক্ষেত্ৰত সাংস্কৃতিক ভিন্নতাই সৃষ্টি কৰা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাঁ।

৫। (ক) অনুবাদৰ প্ৰয়োজন আৰু গুৰুত্ব দেখুৱাই এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) সাহিত্য-ভিন্ন অনুবাদৰ গুৰুত্ব কেনে, তোমাৰ মতামত দেখুৱাই এটি আলোচনা যুগুত কৰাঁ।

৬। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) অনুবাদ আৰু মাতৃভাষা

(খ) অনুবাদ আৰু অলংকাৰ

(গ) শৈলী অনুবাদ

★★★

Total No. of Printed Pages—3

**5 SEM FYUGP ASMC5B**

# 2025

( November )

ASSAMESE

( Core )

Paper : ASMC5B

( যোগাযোগমূলক অসমীয়া )

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৬=৬

(ক) 'অসমীয়া ভাষাৰ উচ্চাৰণ' গ্ৰন্থখনৰ ৰচকৰ নাম লিখাঁ।

(খ) ইংৰাজী 'Communication' শব্দটোৰ মূল কি?

(গ) যোগাযোগৰ প্ৰধান মাধ্যম কি?

(ঘ) লঘু বিৰাম চিহ্ন এটাৰ ব্যৱহাৰ কৰি এটা বাক্য লিখাঁ।

(ঙ) কণ্ঠস্বৰ কম্পনক ইংৰাজীত কি বুলি কোৱা হয়?

(চ) এটি অমৌখিক যোগাযোগৰ উদাহৰণ দিয়াঁ।

২। (ক) যোগাযোগ কাক বোলে? যোগাযোগত ভাষা আৰু ভাষাভিন্ন উপাদানৰ গুৰুত্ব সম্পৰ্কে চমুকৈ লিখাঁ। ২+৬=৮

*অথবা*

(খ) যোগাযোগৰ প্ৰকাৰসমূহ সামৰি এটি আলোচনা যুগুত কৰাঁ। ৮

৩। (ক) সাক্ষাৎকাৰ বুলিলে কি বুজাঁ? কোনো পদৰ প্ৰাৰ্থী হিচাপে সাক্ষাৎকাৰ দিয়াৰ ক্ষেত্ৰত মনোযোগ দিবলগীয়া দিশসমূহত আলোকপাত কৰাঁ। ৩+৯=১২

*অথবা*

(খ) ৰাজহুৱা স্থানত নিৰ্দিষ্ট এটা বিষয়ৰ বক্তৃতা প্ৰদানৰ বাবে তুমি কেনেকৈ প্ৰস্তুত হ'বা, বিৱৰি লিখাঁ। ১২

৪। (ক) ৰেডিঅ'ৰ নাট্যলেখনৰ কলা-কৌশল সামৰি এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) বিজ্ঞাপন প্ৰস্তুতকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিবলগীয়া দিশসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

৫। (ক) মৌখিক যোগাযোগ প্ৰভাৱশালী কৰাত কোনবোৰ কথাই, কেনেধৰণৰ ভূমিকা লয়, আলোচনা কৰাঁ। ১২





*অথবা*

(খ) অসমীয়া ভাষাৰ লিখিত যোগাযোগত প্ৰয়োগ হোৱা বিৰাম চিহ্নসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১২

৬। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৫×২=১০

(ক) দলীয় আলোচনা

(খ) দৃশ্য-শ্ৰব্য মাধ্যমৰ বাবে লেখন

(গ) কবিতা আবৃত্তিৰ কৌশল

★★★

**5 SEM FYUGP ASMC5C**

**2025**

( November )

ASSAMESE

( Core )

Paper : ASMC5C

[ সাহিত্য তত্ত্ব আৰু সমালোচনা (প্ৰাচ্য) ]

*Full Marks* : 60

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ৰীতিবাদৰ প্ৰধান আচাৰ্যগৰাকীৰ নাম কি?

(খ) "শব্দাৰ্থৌ সহিতৌ কাব্যম্"—এই উক্তিষাৰ কোনে কৈছিল?

(গ) 'নন্দনতত্ত্ব : প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

(ঘ) শব্দশক্তি বুলিলে কি বুজাঁ?

(ঙ) কবিতাত সদৃশ ব্যঞ্জন বৰ্ণ ওচৰা-উচৰিকৈ পুনৰাবৃত্তি হ'লে কি অলংকাৰ হয়?

(চ) বক্রোক্তিবাদৰ প্ৰধান প্ৰবক্তা বুলি কাক আখ্যা দিয়া হয়?

(ছ) 'ধ্বন্যালোক'ৰ ৰচক কোন?

(জ) "ন হি ৰসাদৃতে কশ্চিদৰ্থঃ প্ৰৱৰ্ততে"—এই উক্তিষাৰ কোনে আগবঢ়াইছিল?

২। (ক) কাব্যৰ স্বৰূপ নিৰ্ণয় কৰি ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰাঁ। ৬+৬=১২

*অথবা*

(খ) প্ৰাচ্য আলংকাৰিকৰ মতৰ আধাৰত কাব্যৰ সংজ্ঞা নিৰ্ণয় কৰি ইয়াৰ লক্ষণসমূহ আলোচনা কৰাঁ। ১২

৩। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) কাব্যৰ ৰীতি

(খ) শ্ৰীশঙ্কুকৰ অনুমিতিবাদ

(গ) অৰ্থান্তৰন্যাস

(ঘ) ঔচিত্য

৪। (ক) শব্দশক্তি কেইপ্ৰকাৰৰ আৰু কি কি? শব্দৰ ব্যঞ্জনা-শক্তিৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱাঁ। ৩+৭=১০

*অথবা*

(খ) শব্দৰ লক্ষণাশক্তি বুলিলে কি বুজাঁ? অসমীয়া কবিতাৰ পৰা উদাহৰণ দি আলোচনা কৰাঁ। ২+৮=১০





৫। (ক) কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি কি? শব্দালংকাৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৪+৮=১২

*অথবা*

(খ) "কাব্যস্যাত্মা ধ্বনি"—এই উক্তিৰ আধাৰত ধ্বনিবাদ সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ। ১২

৬। (ক) ভৰতৰ ৰসনিষ্পত্তিৰ সূত্ৰটো আলোচনা কৰাঁ। ১০

*অথবা*

(খ) 'বক্ৰোক্তিবাদ'ৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱাঁ।

★★★